শিক্ষা

এছিয়াৰ ১,৭২২খন বিশ্ববিদ্যালয়ৰ তালিকাত ভাৰতৰ ৩২৫খন প্ৰতিষ্ঠান; IIT গুৱাহাটীৰ স্থান ১২০।

QS Asia University Rankings 2027ত ভাৰতৰ ৩২৫খন প্ৰতিষ্ঠানে স্থান লাভ কৰিছে। কিন্তু IIT Delhi-সহ দেশৰ শীৰ্ষ ছখন প্ৰতিষ্ঠানৰ ৰেংকিং হ্ৰাস পাইছে।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৫



SOCIAL MEDIA

QS Asia University Rankings 2027ৰ তালিকাত ভাৰতৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ প্ৰদৰ্শনত মিশ্ৰিত ছবি দেখা গৈছে। দেশৰ প্ৰতিনিধিত্ব বৃদ্ধি পোৱাৰ বিপৰীতে শীৰ্ষস্থানত থকা ছখন ভাৰতীয় প্ৰতিষ্ঠানৰ ৰেংকিঙৰ অৱনতি ঘটিছে। তথাপি ভাৰতৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰিছে IIT Delhi-য়ে।

নতুন তালিকা অনুসৰি, IIT Delhi এছিয়াৰ ৬৬সংখ্যক স্থানত আছে। পূৰ্বৰ তালিকাত প্ৰতিষ্ঠানটোৰ স্থান আছিল ৫৯। আনহাতে, Indian Institute of Science (IISc), Bengaluru ৭৯সংখ্যক স্থানত আছে IIT Bombay ৮৩, IIT Madras ৮৫, IIT Kharagpur ৯০ আৰু IIT Kanpur ৯৭সংখ্যক স্থানত আছে। এই ছখন প্ৰতিষ্ঠানৰে পূৰ্বৰ বছৰৰ তুলনাত স্থানৰ অৱনতি ঘটিছে।

আনহাতে, IIT Guwahati-য়ে এছিয়াৰ তালিকাত ১২০সংখ্যক স্থান লাভ কৰিছে IIT Roorkee আছে ১২৪সংখ্যক স্থানত Delhi University-ৰ স্থান ৯৫ৰ পৰা হ্ৰাস পাই ১০৬ হৈছে। অৱশ্যে Chandigarh

University-য়ে ১০৯ৰ পৰা ১০৪লৈ আৰু Lovely Professional University-য়ে ১৮৭ৰ পৰা ১৫৪লৈ উন্নতি কৰিছে।

এইবাৰৰ তালিকাত ভাৰতৰ মুঠ ৩২৫খন বিশ্ববিদ্যালয়ে স্থান লাভ কৰিছে। ইয়াৰে ৩৪খন প্ৰতিষ্ঠান প্ৰথমবাৰৰ বাবে তালিকাত অন্তৰ্ভুক্ত হৈছে। এই সংখ্যাৰে চীনৰ পাছতে এছিয়াত ভাৰতৰ উচ্চ শিক্ষাৰ প্ৰতিনিধিত্ব দ্বিতীয় সৰ্বাধিক। সমগ্ৰ এছিয়াৰ ২৬টা উচ্চ শিক্ষা ব্যৱস্থাৰ ১,৭২২খন বিশ্ববিদ্যালয়ক এই ৰেংকিঙত অন্তৰ্ভুক্ত কৰা হৈছে।

আনহাতে, এছিয়াৰ শীৰ্ষস্থানত আছে University of Hong Kong□ দ্বিতীয় স্থানত Peking University আৰু তৃতীয় স্থানত Tsinghua University□ তালিকাত চীনৰ দুখন বিশ্ববিদ্যালয়ে শীৰ্ষ তিনিটাৰ ভিতৰত স্থান লাভ কৰিছে।

ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ ৰেংকিঙৰ অৱনতিৰ অন্যতম কাৰণ হিচাপে এছিয়াত বৃদ্ধি পোৱা প্ৰতিযোগিতাক চিহ্নিত কৰা হৈছে। এইবাৰ ১৯৫খন নতুন বিশ্ববিদ্যালয় তালিকাত অন্তৰ্ভুক্ত হৈছে। লগতে Academic Reputation আৰু Employer Reputationৰ ক্ষেত্ৰতো ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ প্ৰদৰ্শন দুৰ্বল হোৱা বুলি ৰেংকিঙৰ বিশ্লেষণত প্ৰকাশ পাইছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/687/iit-guwahati-ranks-120-qs-asia-2027